**জনসংযোগ, অসম**

**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**

**প্ৰেছ বাৰ্তা**

---

**নং ঃ ৫৮৯/২০১৯**

## ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগত খালী হৈ থকা ৫৫ হাজাৰ পদ অচিৰেই পূৰণ কৰাৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ১৬ ডিচেম্বৰ ঃ** ৰাজ্য চৰকাৰে অচিৰেই শিক্ষককে ধৰি বিভিন্ন বিভাগত খালী হৈ থকা ৫৫ হাজাৰ বিভিন্ন পদত নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰিব। আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ পৌৰোহিত্যত বিভিন্ন বিভাগৰ উচ্চপদস্থ বিষয়া সকলৰ সৈতে অনুষ্ঠিত হোৱা এক গুৰুত্বপূৰ্ণ বৈঠকত এই প্ৰক্ৰিয়া অতি শীঘ্ৰে আৰম্ভ কৰাৰ বাবে যাৱতীয় পদক্ষেপ ল'বলৈ মুখ্যমন্ত্ৰীয়ে এই নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে আগন্তুক ৬ মাহৰ ভিতৰতে এই সম্পূৰ্ণ প্ৰক্ৰিয়া সম্পন্ন কৰাৰ বাবে বিহীত ব্যৱস্থা ল'বলৈও আজিৰ বৈঠকতে নিৰ্দেশ দিয়ে।

আজিৰ এই বৈঠকতে বাজেট ব্যয় তথা বিভিন্ন উন্নয়নমূলক আঁচনি সম্পৰ্কত বিতং ভাৱে আলোচনা কৰা হয়। বৈঠকত বিত্ত বিভাগৰ প্ৰধান সচিব গৰাকীয়ে বাজেট ব্যয়, ব্যৱহাৰিক প্ৰমাণ পত্ৰ ইত্যাদি বিষয় সমূহ মুখ্যমন্ত্ৰীক অৱগত কৰে। বৈঠকত মুখ্যমন্ত্ৰীয়ে জিলা আৰু মহকুমা পৰ্যায়ৰ বিষয়া সকলে তলতীয়া কৰ্মচাৰী সকলৰ লগত উন্নয়ন মূলক আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত সঘনে আলোচনাত মিলিত হোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

আজিৰ এই বৈঠকত আইন উপদেষ্টা শান্তনু ভৰালী, মুখ্য সচিব আলোক কুমাৰ, অতিৰিক্ত মুখ্য সচিব সকল, বিভিন্ন বিভাগৰ প্ৰধান সচিব, আয়ুক্ত সচিব, সচিব সকলে অংশ গ্ৰহণ কৰে।

**পুঃডেঃ / বঃভাঃ**
**১৬/১২/২০১৯**